## Prospect of Tourism Industry in Assam :-

### অসমত পৰ্যটন উদ্যোগৰ সম্ভাৱনা :-

পৰ্যটন উদ্যোগ হল বিশ্বৰ দ্ৰুতগতিত বিকশিত হোৱা উদ্যোগ। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, বনাঞ্চল, ঐতিহাসিক কীৰ্তিচিহ্ন, মঠ-মন্দিৰ, চাহ-বাগিচা, নদ-নদী, বহুৰঙী সাংস্কৃতিক উৎসৱসমূহ, জৈব-বৈচিত্ৰ্য আদিৰ ওপৰত ভিত্তি কৰি অসমত পৰ্যটন উদ্যোগৰ বিকাশৰ প্ৰচুৰ সম্ভাৱনা আছে। পৰ্যটন উদ্যোগৰ বিকাশে ৰাজ্যখনৰ ৰাজ্যিক আয় বৃদ্ধি কৰাৰ লগতে নিয়োগৰ সুবিধা বৃদ্ধি কৰাৰ ক্ষেত্ৰত বিশেষ ~~সুবিধা~~ অৰিহণা যোগাব।

পাৰিবেশিক পৰ্যটন (eco tourism) বৰ্তমান যথেষ্ট সম্ভাৱনাপূৰ্ণ উদ্যোগ। অসম প্ৰাকৃতিক সৌন্দৰ্য আৰু জৈব-বৈচিত্ৰ্যত চহকী ৰাজ্য। ইয়াত পাৰিবেশিক পৰ্যটন গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা আছে। কাজিৰঙা, চানডুবি, নামেৰী, পবিতৰা, ডিব্ৰু-চৈখোৱা

আদি অঞ্চলত পৰিৱেশ পৰ্যটন গঢ় লৈ উঠা দেখা গৈছে।
চৰকাৰে পৰিৱেশ পৰ্যটনৰ গুৰুত্ব উৰন্থ আৰোপ
কৰিছে যদিও বহুতো সম্ভাৱনাপূৰ্ণ অঞ্চলত পৰিৱেশ
পৰ্যটনে এতিয়াও বিকাশ লাভ কৰা নাই।

অসমত গ্ৰাম্য পৰ্যটনৰ বিকাশৰো যথেষ্ট
সম্ভাৱনীয়তা আছে। অসমত বিভিন্ন জাতি-
জনগোষ্ঠীৰ লোকে বসবাস কৰে। এই জাতি-জন-
গোষ্ঠীসমূহৰ নিজস্ব ৰীতি-নীতি, খাদ্যাভ্যাস,
সাজ-পাৰ, নৃত্য-গীত আছে। এই সকলোবোৰ
লগ-লাগি বাৰে-ৰহণীয়া অসমীয়া সংস্কৃতি
গঢ় লৈ উঠিছে। অসমত গ্ৰাম্য পৰ্যটন আৰু
সাংস্কৃতিক পৰ্যটন বিকাশৰ ক্ষেত্ৰত সমাজকলৰ
স্বকীয়তা অটুট ৰাখি সেই ঠাইসমূহৰ বিষয়ে
দেশী-বিদেশী পৰ্যটকৰ আগত দাঙি ধৰিব
পাৰি। অসমৰ কিছু কিছু অঞ্চলত গ্ৰাম্যপৰ্যটনৰ
বিকাশ হোৱা দেখা গৈছে। উদাহৰণস্বৰূপে ডিব্ৰুগড়ৰ
নামফাকে গাঁও, তিতাবৰৰ শ্যামগাঁও, গুৱালকুছি
মাজুলী, কাৰ্বিআংলংৰ কাৰবীয়া গাঁওসমূহ ইত্যাদি,

অসমত ঐতিহাসিক কীৰ্তিচিহ্নৰ ওপৰত ভিত্তি
কৰিও পৰ্যটন উদ্যোগৰ বিকাশৰ যথেষ্ট সম্ভাৱনা
আছে। আহোম ৰাজত্বৰ দিন হিচাপে শিৱসাগৰ
হ'ল অসমৰ পৰ্যটন ক্ষেত্ৰৰ বিশেষ আকৰ্ষণ।
শিৱসাগৰৰ চৰাইদেউ ঐতিহাসিক কীৰ্তিচিহ্ন-
থকা অন্যান্য অঞ্চলসমূহো পৰ্যটনস্থলী
হিচাপে গঢ়ি তোলা উচিত।

অসমত ধৰ্মীয় পৰ্যটন গঢ়ি উঠিবো-
সম্ভাৱনা আছে। শিৱসাগৰ, হাজো-
আদি অঞ্চলত ধৰ্মীয় পৰ্যটন গঢ়ি
উঠিছে।

অসম- এ প্ৰসিদ্ধিয়া গঢ়ক, চাহ
আৰু পাট-মুগাৰ বাবে ব পৃথিৱীৰ

বিখ্যাত । ইয়াৰ উপৰিও বহুতো কৰি পৰ্যটনৰ বিকাশ হোৱা দেখা গৈছে, কিন্তু এতিয়াও বহু সম্ভাৱনাপূৰ্ণ অঞ্চল পৰ্যটনস্থলী হিচাপে গঢ়ি উঠিব পৰা নাই।

গুৱাহাটী, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, কলা-সংস্কৃতিৰে পৰিপূৰ্ণ নদীদ্বীপ মাজুলী আদি হ'ল অসমৰ পৰ্যটন বিকাশৰ বিশেষ আকৰ্ষণ।

অসমৰ পৰ্যটন বিকাশৰ বিষয়ে দৰকাৰত তলনিম্ন কথা খিনিলৈ পৰ্যটন বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা উচিত। অসমত পৰ্যটনৰ বিকাশৰ বাবে চৰকাৰৰ লগতে জনসাধাৰণৰ সহযোগিতাৰ অতি প্ৰয়োজনীয়।